প্ৰভু যীচুৰ অতি শীঘ্ৰে এই ধৰালৈ পুনৰাগমন ঘটিব। এই ভৱিষ্যৎবাণী কৰিছিল স্বয়ং প্ৰভু যীচুৱে, যেতিয়া ২০০০ বছৰ পূৰ্বে তেওঁ এই ধৰাত প্ৰবৰ্ত্তন কৰিছিল (যোহন ১৪ঃ১-৩)। প্ৰভুৰ এই পুনৰাগমনৰ কথা নিশ্চিতভাৱে আমি কেনেকৈ জানিব পাৰো? প্ৰভু জনাৰ পুনৰাগমনৰ প্ৰাক মূহুৰ্ত্তত এই জগতত কেনেধৰাৰ কি কি ঘটনা সংঘটিত হব সেই বিষয়ে আপোনাসৰে গু1| জনাই কৰি থৈ যোৱা ভৱিষ্যৎবাণী সমূহ সযত্নে অধ্যয়ন কৰক। শাস্ত্ৰত থকা এই বাণী সমূহৰ লগত বৰ্ত্তমান সময়ত পৃথিৱীৰ বিভিন্ন প্ৰান্তত ঘটি থকা ঘটনা সমূহৰ এতি তুলনামূলক অধ্যয় কৰি চালে এই কথা স্পষ্টৰূপত প্ৰমাণিত হব যে সত্যে সত্যে আমাৰ জীৱন কালতেই প্ৰভু যীচুৰ এই ধৰালৈ আগমন ঘটিব।

## 1 ধৰ্ম্মধামৰ বিনাশ

পাছে যীচু ধৰ্ম্মধামৰ পৰা ওলাই যাওঁতে, তেওঁৰ শিষ্যবিলাকে তেওঁক ধৰ্ম্মধামৰ গাঁথনিবোৰ দেখুৱাবলৈ ওচৰলৈ আহিল। পাছে তেওঁ ধৰ্ম্মধামৰ পৰা ওলাই যাওঁতে, তেওঁৰ শিষ্যবিলাকৰ এজনে তেওঁক কলে, হে গুৰু চাওক, কেনে সুন্দৰ শিল আ1| কেনে বিশাল সুসজ্জিত গাঁথনি! তাতে যীচুৱে তেওঁক কলে, তুমি এই বৰ বৰ গাঁথনি দেখিছানে? যি কালত, শিলৰ ওপৰত শিল থকাকৈ ইয়াত এৰা নহৈ, সকলোকে পেলোৱা হব, এনে কাল আহিব (মথি ২৪ঃ১-২ মাৰ্ক ১৩ঃ১-২ লূক ২১ঃ৫-৬)। এইটো লিখিত ৰূপত পৰিপূৰ্ণ হৈছিল ৭০এ.ডি.ত।

## 2 আগমনৰ সংকেট

পাছে তেওঁ জৈতুন পৰ্ব্বতৰ ওপৰত বহাত, শিষ্যবিলাকে গুপুতে তেওঁৰ ওচৰলৈ আহি সুধিলে, এইবোৰ কেতিয়া হব আ1| আপোনাৰ আগমনৰ আ1| এই জগতৰ শেষ হোৱাৰ চিন কি? তাক আমাককওক (মথি ২৪ঃ৩; মাৰ্ক ১৩ঃ৩-৪; লূক ২১ঃ৭)।

## 3 প্ৰতাৰকৰ উদ্ভৱ

তেতিয়া যীচুৱে উত্তৰ দি তেওঁলোকক কলে, কোনেও যেন তোমালোকক নুভুলায়, তালৈ সাৱধান হোৱা। কিয়নো অনেকে মোৰ নামেৰে আহি, মই খ্ৰীষ্ট বুলি অনেকক ভুলাব (মথি ২৪ঃ৪-৫; মাৰ্ক ১৩ঃ৫-৬; লূক ২১ঃ৮)।

## 4 ৰণ তথা সাম্ৰাজ্য যুদ্ধৰ বতৰা

আ1| যেতিয়া তোমালোকে ৰণ আ1| হুৰামুবাৰ বাৰ্ত্তা শুনা, তেতিয়া ভয়াতুৰ নহবা। কিয়নো এই সকলো আগেয়ে ঘটিব লাগে। কিন্তু তেয়িাই শেষ ন হয় (মথি ২৪ঃ৬; মাৰ্ক ১৩ঃ৭; লূক ২১ঃ৯)।

## 5 ভিন্নধৰ্মীয় যুদ্ধ | ভূমিকম্প | আকাল | মহামাৰী

তেতিয়া তেওঁ তেওঁবিলাকক কলে, জাতিৰ বিৰুদ্ধে জাতি, ৰাজ্যৰ বি1|দ্ধে ৰাজ্য উঠিব আ1| বৰ ভূমিকম্প, ঠায়ে ঠায়ে আকাল আ1| মহামাৰী হব তথা আকাশৰ পৰা ভয়ঙ্কৰ লক্ষণ আ1| মহৎ চিন ওলাব (মথি ২৪ঃ৭; মাৰ্ক ১৩ঃ৮; লূক ২১ঃ১০-১১)।

## 6

এই সকলো যাতনাৰ আৰম্ভণহে মাথোন (মথি ২৪ঃ৮; মাৰ্ক ১৩ঃ৮)।

## 7 খ্ৰীষ্টধৰ্মীয়ৰ ওপৰত উৎপীড়ন

কিন্তু তোমালোক নিজলৈ সাৱধান হোৱা, কিন্তু এই সকলো ঘটনাৰ পূৰ্বেহি, মানুহে তোমালোকৰ ওপৰত হাত দি, তোমালোকক তাড়না কৰিব, পঞ্চায়ত আ1| বন্দীশালত শোধাই দিব আৰু মোৰ নামৰ কাৰণে তোমালোকক ৰজা আৰু দেশাধিপতিৰ আগলৈ নিয়া হব। সাক্ষ্যৰ অৰ্থে এই সকলো কথা তোমালোকলৈ ঘটিব (মথি ২৪ঃ৯; মাৰ্ক ১৩ঃ৯; লূক ২১ঃ১২-১৩)।

## 8

যেতিয়া তেওঁবিলাকে তোমালোকক নি শোধাই দিব, তেতিয়া কি কব লাগে আগেয়ে তালৈ চিন্তা নকৰিবা, কিন্তু সেই সময়ত তোমালোক যি দিয়া হব তাকেই কবা। কিয়নো তোমালোক সেই কথা কওঁতা নোহোৱা, কিন্তু পবিত্ৰ আত্মা হে! কিয়নো তোমালোকৰ বিৰুদ্ধীবিলাকৰ কোনেও প্ৰতিৰোধ বা প্ৰত্যুত্তৰ কৰিব নোৱাৰা মুখ আ1| জ্ঞান মই তোমালোকক দিম (মাৰ্ক ১৩ঃ১১; লূক ২১ঃ১৪-১৫)।

## 9 পৰিয়ালত বিশ্বাস-ঘাকৈতা

তেতিয়া ককায়েকে ভায়েকক, বাপেকে পুতেকক মৰণলৈ শোধাই দিব আৰু সন্তানবিলাকে মাক-বাপেকৰ অহিতে উঠিব, তেওঁলোকক বধ কৰাব আ1| মোৰ নামৰ কাৰণে তোমালোক সকলোৱে ঘৃণাৰ পাত্ৰ হবা, কিন্তু তোমালোকৰ মূৰৰ এডালি চুলিও নষ্ট নহব। তোমালোকে নিজ ধৈৰ্য্যেৰে নিজ নিজ প্ৰাণ লাভ কৰিবা (মথি ২৪ঃ৯-১০; মাৰ্ক ১৩ঃ১২-১৩; লূক ২১ঃ১৬-১৯)।

## 10 'ভালপোৱা' নিস্তেজ হৈ পৰিব

অধৰ্ম অধিক হোৱাত অনেকৰ প্ৰেম চেঁচা হৈ যাব। কিন্তু যিজনে শেষলৈকে সহি থাকে, সেইজনেই পৰিত্ৰাণ পাব (মথি ২৪ঃ১২-১৩)।

## 11

সকলো জাতিলৈ সাক্ষ্য হবলৈ, ৰাজ্যৰ এই শুভবাৰ্ত্তা গোটেই জগতত ঘোষণা কৰা হব, তেতিয়াহে শেষ হব (মথি ২৪ঃ১৪; মাৰ্ক ১৩ঃ১০)।

## 12 অত্যন্ত ঘৃণা তথা বিৰক্তিবোধেৰে যিৰূচালেম উচ্ছেদ

যেতিয়া যিৰূচালেমক সৈন্য বিলাকেৰে বেৰি ধৰা দেখিবা, তেতিয়া তাৰ ধ্বংস ওচৰ চাহিলহি বুলি জানিবা (লূক ২১ঃ২০)। এই হেতুকে যি ধ্বংসকাৰী ঘিণলগীয়া বস্তুৰ কথা দানিয়েল ভাববাদীৰ দ্বাৰাই কোৱা হৈছিল, তাক যেতিয়া পবিত্ৰ ঠাইত থকা দেখিবা, — যি জনে পঢ়ে তেওঁ বুজক। তেতিয়া যিহূদিয়াত থকা মানুহ বিলাক পৰ্ব্বতলৈ পলাই যাওক। ঘৰৰ ওপৰত থকাজনে তেওঁৰ ঘৰৰ পৰা বস্তুবোৰ উলিয়াই নিবলৈ নানামক, আ1| পথাৰত থকা জনে তেওঁৰ কাপোৰখন লবলৈ উলটি নাযাওক (মথি ২৪ঃ১৪-১৫; মাৰ্ক ১৩ঃ১৪-১৬; লূক ১৭ঃ৩১;২১ঃ২১)। কিন্তু সেই কালত গৰ্ভৱতী আ1| পিয়াহ দিয়া তিৰোতাবিলাকৰ সন্তাপ হব আৰু তোমালোকৰ পলোৱা যেন জাৰকালি বা বিশ্ৰাম - বাৰে নহয়, তাৰ নিমিত্তে প্ৰাৰ্থনা কৰা (মথি ২৪ঃ১৯-২০; মাৰ্ক ১৩ঃ১৭-১৮; লূক ২১ঃ২৩)। তেওঁ বিলাক তৰোৱালৰ ধাৰত পৰিব আ1| পৰাজাতি মানুহৰ কাল সম্পূৰ্ণ নহয়মানলৈকে যিৰূচালেমক পৰজাতি মানুহৰ ভৰিৰে গচকা হব (লূক ২১ঃ২৪)।

## 13 যাকোবৰ সঙ্কট কাল (যিৰিমিয়া ৩০ঃ৬-৭)

কিয়নো সেই কেইটা দিন যেনে ক্লেশযুক্ত হব, ঈশ্বৰে স্ৰজা সৃষ্টিৰ আদিৰে পৰা এতিয়ালৈকে তেনে ক্লেশ কেতিয়াও হোৱা নাই আৰু নহবও। আ1| প্ৰভুৱে সেই কেইটা দিনৰ সংখ্যা কম নকৰা হলে কোনো প্ৰণীৰে ৰক্ষা নহলহেঁতেন, কিন্তু তেওঁ যিবিলাকক মনোনীত কৰিলে, সেই মনোনীত মানুহৰ নিমিত্তে তেওঁ সেই দিনৰ সংখ্যা কম কৰিলে (মথি ২৪ঃ২১-২২; মাৰ্ক ১৩ঃ১৯-২০; লূক ২১ঃ২৩)। কিয়নো সকলো লিখা বচন সিদ্ধ হবলৈ সেয়েই প্ৰতিফল দিবৰ সময় হব (লূক ২১ঃ২২)।

## 14 ভুৱা খ্ৰীষ্ট আৰু ধৰ্মপ্ৰৱৰ্ত্তক

তেতিয়া যদি কোনোৱে তোমালোকক কয়, চোৱা, খ্ৰীষ্ট ইয়াত আছে, বা চোৱা, সৌ তাত আছে, তথাপি বিশ্বাস নকৰিবা। কিয়নো ভাঁৰি - কোৱা খ্ৰীষ্ট আ1| ভাঁৰি - কোৱা ভাববাদীবিলাক ওলাই সাধ্য হোৱা হলে, মনোনীত মানুহবিলাকক ভুলাবলৈ চিন আ1| অদ্ভুত লক্ষণ দেখুৱাব। কিন্তু তোমালোক সাৱধান হোৱা, চোৱা মই সকলোকে আগেয়ে তোমালোকক কলোঁ (মথি ২৪ঃ২৩-২৪; মাৰ্ক ১৩ঃ২১-২৩)। এই হেতুকে মানুহে যদি তোমালোকক কয়, চোৱা তেওঁ অৰণ্যত আছে, তেন্তে ওলাই নাযাবা, নাইবা চোৱা তেওঁ ভিতৰ-কোঁঠালিত আছে বুলিলেও বিশ্বাস নকৰিবা। কিয়নো বিজুলীয়ে যেনেকৈ পুব ফালৰ পৰা ওলাই পশ্চিম ফাললৈকে পোহৰ কৰে, সেইদৰে মানুহৰ পুত্ৰৰো আগমন হব (মথি ২৪ঃ২৬-২৭; লূক ১৭ঃ২৩-২৪)।

## 15 স্বৰ্গীয় সংকেত

কিন্তু সেই কালৰ ক্লেশৰ পাছতেই সূৰ্য্য অন্ধকাৰময় হব, চন্দ্ৰয়ো পোহৰ নিদিব, আকাশৰ পৰা তৰাবোৰ খহি পৰিব আ1| আকাশৰ পৰাক্ৰমবোৰো লৰোৱা হব (মথি ২৪ঃ২৯; মাৰ্ক ১৩ঃ২৪-২৫; লূক ২১ঃ২৫)। তেতিয়া সূৰ্য্য, চন্দ্ৰ আ1| তৰাবোৰত নানা চিন ওলাব, আ1| পৃথিৱীতো সাগৰ আ1| ঢৌৰ তৰ্জ্জন-



গৰ্জ্জনৰ কাৰণে ব্যাকুল হোৱা জাতিবিলাকৰ ক্লেশ হব তথা পৃথিৱীতো যি যি ঘটিব তাৰ চিন্তাত আ1| ভয়ত মানুহ বিলাক বিমূৰ্চ্ছিত হব, কিয়নো আকাশৰ শক্তিবোৰ লৰোৱা হব (লূক ২১ঃ২৫-২৬)।

16 তেতিয়া আকাশত মানুহৰ পুত্ৰৰ চিন প্ৰকাশিত হব আ1| তেতিয়া পৃথিবীৰ সকলো ফৈছে হিয়া ভুকুৱাব আ1| আকাষৰমেঘৰ ওপৰত মানুহৰ পুত্ৰক পৰাক্ৰম আৰু মহাপ্ৰতাপেৰে অহা দেখিব। তেতিয়া তুবীৰ মহাশব্দেৰে তেওঁ নিজৰ দূতবিলাকক পঠাব, তাতে তেওঁলোকে আকাশৰ এক সীমাৰ পৰা আন সীমালৈকে চাৰিওফালৰ পৰা তেওঁৰ মনোনীত লোকবিলাকক আনি গোটাব (মথি ২৪ঃ৩০-৩১; মাৰ্ক ১৩ঃ২৬-২৭; লূক ২১ঃ২৭)।

17 কিন্তু এইবোৰ কথা ঘটিবৰ আৰম্ভণ হলে, মূৰ দাঙি ওপৰলৈ চোৱা, কিয়নো তোমালোকৰ মুক্তি ওচৰ চাপিছেহি (লূক ২১ঃ২৪)।

18 পাছে তেওঁ তেওঁলোকক এটা দৃষ্টান্ত দি কলে ডিমৰ আছি সকলো গছ চোৱা। সেইবোৰে কুঁছিপাত মেলা দেখিলে জহ কাল তেতিয়াই ওৰে হৈছে বুলি তোমালোকে নিজে জানা। সেইদৰে যেতিয়া তোমালোকে এইবোৰ ঘটা দেখিবা তেতিয়া ঈশ্বৰৰ ৰাজ্য ওৰে চাপিল বুলি জানিবা (মথি ২৪ঃ৩২-৩৩; মাৰ্ক ১৩ঃ২৮-২৯; লূক ২১ঃ২৯-৩১)। কিন্তু অকল পিতৃৰ বাহিৰে স্বৰ্গৰ দূত বিলাক বা পুত্ৰ বা কোনেও সেই দিন আৰু সময় নাজানে (মথি ২৪ঃ৩৬; মাৰ্ক ১৩ঃ৩২)।

19 কিন্তু নোহৰ দিন যেনে, মানুহৰ পুত্ৰৰ আগমনো তেনে দিনলৈকে যেনেকৈ মানুহবিলাকে ভোজনপান কৰি, বিয়া কৰি, বিয়া দি আছিল আ1| জলপ্লাৱন আহি সকলোকে উটুৱাই নিনিয়ালৈকে জ্ঞান নাপালে। সেইদৰে মানুহৰ পুত্ৰৰ আগমন হব (মথি ২৪ঃ৩৭-৩৯; লূক ১৭ঃ২৬-২৭)।

20 সেইদৰে লোটৰ দিনতো যি দৰে ঘটিছিল — লোকে ভোজন-পান কৰিছিল, কিনা বেচা কৰিছিল, ৰুইছিল, আ1| ঘৰ সাজি আছিল, কিন্তু যি দিনা চছোনৰ পৰা লোট ওলাই গল, সেই দিনাই আকাশৰ পৰা জুই আৰু গন্ধক বৰষি সকলোকে বিনষ্ট কৰিলে। সেই একেদৰে মানুহৰ পুত্ৰ প্ৰকাশিত হোৱা দিনতো হব (লূক ১৭ঃ২৮-৩০)।

21 লোটৰ তিৰোতাক সোঁৱৰা। যি কোনোৱে নিজৰ প্ৰাণ ৰাখিবলৈ বিচাৰে তেওঁতাক হেৰুৱাব কিন্তু যি কোনোৱে প্ৰাণ হেবুৱায় তেওঁ তাক বচাব (লূক ১৭ঃ৩২-৩৩)।

22 মই তোমালোকক কওঁ, সেই ৰাতি দুজন মানুহ একে শয্যাত থাকোঁতে এজনক গ্ৰহণ কৰা হব, আনজনক ত্যাগ কৰা হব। দুজনী তিৰোতাই একেলগে জাঁতেৰে ডলি থাকোঁতে এজনীক গ্ৰহণ কৰা হব, আনজনীক ত্যাগ কৰা হব, জুন মানুহ পথাৰত থাকোঁতে এজনক গ্ৰহণ কৰা হব এজনক ত্যাগ কৰা হব (মথি ২৪ঃ৪০-৪১; লূক ১৭ঃ৩৪-৩৬)। তেতিয়া তেওঁলোকে উত্তৰ দি তেওঁক সুধিলে, কত প্ৰভু? তাতে তেওঁ তেওঁলোকক কলে, যত মৰাশ থাকে, তাতে শগুলো গোট খোৱা হব (মথি ১৪ঃ১৮; লূক ১৭ঃ৩৭)।

23 সাবধান হোৱা আৰু পৰ দি প্ৰাৰ্থনা কৰি থাকা যেনেকৈ দেশান্তৰলৈ যোৱা মানুহে নিজৰ দাসবোৰক ক্ষমতা আ1| প্ৰতিজনক তেওঁৰ কাম দি ঘৰ এৰিযোৱা সময়ত দুৱৰীক পৰ দি থাকিবলৈ আজ্ঞা দিলে, তেনেকুৱা হৈছে। এই হেতুকে তোমালোকে পৰ দি থাকা কিয়নো ঘৰৰ গৰাকী গধূলি বা মাজনিশা বা কুকুৰাই ডাক দিয়া পৰত বা ৰাতিপুৱা কেতিয়া আহিব তোমালোকে নাজানা। কি জানি অকস্মাতে আহি তোমালোকক টোপনিতে দেখা পায় (মাৰ্ক ১৩ঃ৩৪-৩৬)।

24 কোন পৰত চোৰ আহিব তাক গৃহস্থে জনা হলে পৰদি থাকি নিজৰ ঘৰত সিন্ধি দিব নিদিলে হেঁতেন, ইয়াক তোমালোকে জানা। এতেকে তোমালোকো যুগুত হৈ থাকা, কিয়নো যি সময়ত তোমালোকে নাভাবা সেই সময়তে মানুহৰ পুত্ৰ আহি (মথি ২৪ঃ৪৩-৪৪)।

25 কিন্তু জীৱিকাৰ চিন্তা, মওতা আ1| অপৰিমিত ভোজনৰ দ্বাৰাই তোমালোকৰ হৃদয় যেন ভাৰগ্ৰস্ত নহয় আ1| ফান্দৰ নিচিনা সেই দিন তোমালোকলৈ যেন অকস্মাতে নাহে এই কাৰণে তোমালোকে নিজলৈ সাৱধানে থাকিবা। সাবধান হোৱা আ1| পৰদি প্ৰাৰ্থনা কৰি থাকা, কিয়নো সেই কাল কেতিয়া আহিব তাক তোমালোকে নাজানা। কিয়নো সেই দিন গোটেই পৃথিৱীত বসতি কৰা সকলোবিলাকৰ ওপৰলৈ আহিব (মাৰ্ক ১৩ঃ৩৩; লূক ২১ঃ৩৪-৩৫)।

26 কিন্তু এই সকলো ঘটিব লগা ঘটনাৰ পৰা তোমালোকে সাৰিবলৈ আৰু মানুহৰ পুত্ৰৰ আগত থিয় হবলৈ যেন সমৰ্থ হোৱা এই নিমিত্তে সকলো সময়তে পৰদি প্ৰাৰ্থনা কৰি থাকিবা (লূক ২১ঃ৩৬)।

27 মই তোমালোকক স্ব1|পকৈ কওঁ এই সকলো নঘটেমানে, এই কালৰ মানুহবিলাক লুপ্ত নহব। স্বৰ্গ আৰু মৰ্ত্ত্য লুপ্ত হব, কিন্তু মোৰ বাক্য লুপ্ত নহব (মথি ২৪ঃ৩৪-৩৫; মাৰ্ক ১৩ঃ৩০-৩১; লূক ২১ঃ৩২-৩৩)।

মহান শক্তি আৰু শৌৰ্য্যৰে সমৃদ্ধহৈ
মহান ৰজা - প্ৰভু যীশু তেওঁৰ
গৌৰবময় সিংহাসনত অধিস্থিতহৈ
তেওঁৰ শিষ্য আৰ সন্ত সকলেৰে
সৈতে অতি শিঘ্ৰে পুনৰাগমন কৰিব।

ঈশ্বৰক ভয় কৰি, তেওঁৰ গৌৰৱ
স্বীকাৰ কৰাহঁক, কিয়নো তেওঁৰ
সোধ-বিচাৰৰ সময় আহিল, আৰু
স্বৰ্গ, পৃথিৱী, সাগৰ, জলৰ ডুমুকবোৰ,
এই ৰ সৃষ্টিকৰ্ত্তাক প্ৰণিপাত কৰাহঁক
(প্ৰকাশিত বাক্য ১৪ঃ৭)

পলম আৰু নহব!

স্বৰ্গৰ ৰাজ্য ওৰে চাপি আহিছে। অনুতাপ কৰা আৰু এই শুভবাৰ্ত্তাত বিশ্বাস ৰাখা।

আপুনি আপোনাৰ প্ৰভু পৰমেশ্বৰক সাক্ষ্যাৎ কৰাৰ বাবে প্ৰস্তুত হওঁক!

Local Contact Address

এঞ্জেল টি.ভি. দৰ্শন কৰক।
www.angeltv.org



# প্ৰভুৰ ৰাজ্যৰ শুভবাৰ্ত্তা

অসমীয়া | ASAMIYA